# GENERAL STUDIES—IV

## ( Paper—5 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **NINETEEN** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **13** should be in *150* words each, whereas answers to Question Nos. **14** to **19** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

## Section—A

1. "Looking at various means of developing compassion, I think empathy is an important factor, the ability to appreciate others' suffering." (*Dalai Lama*)

   Discuss in the context of building attitude for public service.

   (Answer in *150* words) 10

   ''সমব্যথাৰ ভাব জাগ্ৰত কৰাৰ ভিন্ন উপায়বোৰলৈ লক্ষ্য কৰি, মই ভাবোঁ, সমমৰ্মিতা এটা গুৰুত্বপূৰ্ণ কাৰক, যিটো হৈছে আনৰ পীড়া বুজাৰ সামৰ্থ্য।'' (*দালাই লামা*)

   ৰাজহুৱা সেৱাৰ বাবে মনোভাব বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আলোচনা কৰক।

   (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. While a school of thought believes that certain values are universal and eternal, many other believe that values keep on changing with time and situation. Which school of thought do you support? Explain. (Answer in *150* words) 10

   যিক্ষেত্ৰত চিন্তাবিদৰ এটা গোষ্ঠীয়ে ভাবে যে, কিছুমান মূল্যবোধ সাৰ্বজনীন আৰু চিৰন্তন, তেনেক্ষেত্ৰত আন বহুসংখ্যকে ভাবে যে সময় আৰু পৰিস্থিতি সাপেক্ষে মূল্যবোধৰ পৰিৱৰ্তন হৈ থাকে। আপুনি কোনটো মতাদৰ্শক সমৰ্থন কৰে? ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. Do self-confidence, character and spirituality play a vital role in moulding good leadership qualities? If so, how? (Answer in *150* words) 10

   আত্মবিশ্বাস, চৰিত্ৰ আৰু আধ্যাত্মিকতাই উপযুক্ত নেতৃত্ব গঢ় দিয়াৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰেনে? যদি তেনেকুৱাই, কেনেদৰে পালন কৰে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. "Quiet diplomacy is far more effective than public posturing." (*Atal Bihari Vajpayee*)

   Examine in the context of problem-solving by public officials.

   (Answer in *150* words) 10

   ''শান্ত কূটনীতি ৰাজহুৱাকৈ প্ৰকাশ কৰা ভংগীমাতকৈ অধিক ফলপ্ৰসূ।'' (*অটল বিহাৰী বাজপেয়ী*)

   চৰকাৰী বিষয়াসকলে সমস্যা সমাধানৰ ক্ষেত্ৰত কৰা আচৰণৰ পৰিপ্ৰেক্ষিতত এইটো বিচাৰ কৰক।

   (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. Albert Einstein said, "Everybody is genius. But if you judge a fish by its ability to climb a tree, it will live its whole life believing that it is stupid."

   Explain the above saying in terms of mental and physical aptitude.

   (Answer in *150* words) 10

   এলবাৰ্ট আইনষ্টাইনে কৈছিল, ''প্ৰত্যেক ব্যক্তিয়েই অসাধাৰণ প্ৰতিভাশালী। কিন্তু তুমি যদি মাছ এটাক গছত বগোৱাৰ সামৰ্থ্যৰে বিচাৰ কৰা, তেতিয়াহ'লে সেইটোৱে গোটেই জীৱন নিজকে মূৰ্খ বুলি ধাৰণা এটা লৈয়েই কটাব লাগিব।''

   মানসিক আৰু শাৰীৰিক সামৰ্থ্যৰ প্ৰসংগত উপৰোক্ত উক্তিটো বিচাৰ কৰক।

   (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. You are posted as a Medical Officer in a rural dispensary. The area is basically inhabited by poor people who are either marginal farmers or tea garden workers. You have found that the infant mortality rate is high in the area in comparison to average in the State. You have also identified that non-vaccination and incomplete vaccination are the reasons of high infant mortality. The inhabitants are not cooperating in vaccination programme.

How will you use your emotional intelligence to convince the villagers to go for vaccination of their children?

What will be your comprehensive approach to achieve the goal?

(Answer in *150* words) 10

এখন গ্ৰাম্য চিকিৎসালয়ত আপোনাক এগৰাকী স্বাস্থ্য বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। সেই অঞ্চলটিত মূলতে দৰিদ্ৰলোকেই বাস কৰে—যিসকল প্ৰান্তিক কৃষক অথবা চাহ বাগিচাৰ শ্ৰমিক। আপুনি দেখিলে যে, সেই অঞ্চলটোত শিশুৰ মৃত্যুৰ হাৰ ৰাজ্যখনৰ গড় হাৰতকৈ তুলনামূলকভাৱে উচ্চ। আপুনি এইটোও চিনাক্ত কৰিলে যে, টীকাকৰণ নকৰা আৰু অসম্পূৰ্ণ টীকাকৰণেই শিশুৰ মৃত্যুৰ এই উচ্চহাৰৰ কাৰণ। বাসিন্দাসকলেও টীকাকৰণ কাৰ্যসূচীত সহযোগ কৰা নাই।

গাঁৱৰ বাসিন্দাসকলক তেওঁলোকৰ শিশুসকলৰ টীকাকৰণৰ বাবে সন্মত কৰাবলৈ আপুনি আপোনাৰ আৱেগিক বুদ্ধিমত্তা কেনেদৰে ব্যৱহাৰ কৰিব?

এই লক্ষ্যত উপনীত হ'বলৈ আপোনাৰ সামগ্ৰিক পদ্ধতিটো কেনেধৰণৰ হ'ব?

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. Can it be comprehensively held that coaching institutes contribute to the holistic making of a civil servant? Are these initiatives an indirect reflection of lack of creativity and self-confidence in the aspirants? Elaborate.

(Answer in *150* words) 10

এইটো প্ৰায় ধৰি ল'ব পাৰিনেকি যে অসামৰিক বিষয়া সামগ্ৰিকভাৱে প্ৰস্তুতকৰণত প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰে অৱদান আগবঢ়ায়? এই পদক্ষেপবোৰ প্ৰত্যাশীসকলৰ আত্মবিশ্বাসহীনতা আৰু সৃষ্টিশীলতাৰ অভাৱৰ পৰোক্ষ প্ৰতিফলননেকি? বহলাই লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. Corporate Social Responsibility (CSR) is now-a-days considered a permanent feature of corporate governance. What is CSR? Define by way of an illustration or example. Is CSR sufficient as a rule-bound exercise for the private sector's contribution to society's welfare? Briefly explain. (Answer in *150* words) 10

কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR)-ক আজিকালি কৰ্পৰেট প্ৰশাসনৰ এটা স্থায়ী বৈশিষ্ট্য হিচাপে গণ্য কৰা হয়। কৰ্পৰেট সামাজিক দায়বদ্ধতা মানে কি? এটা উদাহৰণৰ জৰিয়তে সংজ্ঞায়িত কৰক। সমাজৰ কল্যাণসাধনলৈ ব্যক্তিগত খণ্ডৰ অৱদানৰ ক্ষেত্ৰত কৰ্পৰেট সামাজিক দায়বদ্ধতা এটা নিয়ম মাফিক অনুশীলন হিচাপে যথেষ্টনে? চমুকৈ ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

9. The terms 'fake news' and 'influencer' have become a part of present-day vocabulary.

(a) What do you mean by 'fake news' and 'influencer'? Is the widespread use of 'fake news' an indication of society's overall moral decay?

(b) To what extent, if at all, are 'influencers' different from thinkers and philosophers from the past? Elaborate suitably.

(Answer in *150* words) 10

'ভুৱা বাতৰি' আৰু 'প্ৰভাৱশালী ব্যক্তি'—শব্দকেইটা সাম্প্ৰতিক সময়ৰ শব্দভাণ্ডাৰৰ অংশ হৈ পৰিছে।

(ক) 'ভুৱা বাতৰি' আৰু 'প্ৰভাৱশালী ব্যক্তি' বুলিলে কি বুজে? 'ভুৱা বাতৰি'-ৰ বহুল ব্যৱহাৰ সমাজৰ সামগ্ৰিক নৈতিক অৱক্ষয়ৰ সূচকনেকি?

(খ) যদিহে তেনেকুৱাই হয়, অতীতৰ চিন্তাবিদ আৰু দাৰ্শনিকসকলৰ সৈতে 'প্ৰভাৱশালী ব্যক্তিসকল'ৰ কিমান পাৰ্থক্য আছে? উপযুক্তভাৱে বহলাই লিখক।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

10. What is the meaning of social audit? Can social audit ensure complete transparency in the utilization of public funds? To what extent is social audit distinct and different from audit carried out by designated government departments? Elaborate. (Answer in *150* words) 10

সামাজিক হিচাপ নিৰীক্ষণৰ অৰ্থ কি? ৰাজহুৱা পুঁজিৰ ব্যৱহাৰৰ ক্ষেত্ৰত সামাজিক হিচাপ নিৰীক্ষণে সম্পূৰ্ণ স্বচ্ছতা নিশ্চিত কৰিব পাৰেনে? সামাজিক হিচাপ নিৰীক্ষণ নিৰ্দিষ্ট চৰকাৰী বিভাগসমূহে কৰা হিচাপ নিৰীক্ষণতকৈ কিমান পৰ্যায়লৈ স্পষ্ট আৰু পৃথক? বহলাই লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

11. "Accountability breeds response-ability." (*Stephen R. Covey*)

How can accountability mechanism strengthen ethical administration? What are the challenges to ethical governance? (Answer in *150* words) 10

''জবাবদিহিতাই সঁহাৰিৰ সামৰ্থ্যক জন্ম দিয়ে।'' (*ষ্টিফেন আৰ. কভে*)

জবাবদিহিতা ব্যৱস্থাই কেনেকৈ নৈতিক প্ৰশাসনক শক্তিশালী কৰিব পাৰে? নৈতিক প্ৰশাসনৰ বাবে ই কেনেকুৱা প্ৰত্যাহ্বান হ'ব পাৰে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

12. "Public service is a public trust, requiring employees to place loyalty to the Constitution, the laws and ethical principles above private gains."

Explain how the above principle ensures fairness and equity in public service delivery for a diverse society. (Answer in *150* words) 10

''ৰাজহুৱা সেৱা হৈছে এটা ৰাজহুৱা বিশ্বাস, যিটোৱে সংবিধানৰ প্ৰতি কৰ্মচাৰীসকলৰ আনুগত্য বিচাৰে, যিটো ব্যক্তিগত লাভালাভৰ পৰা ঊৰ্ধ্বত থকা আইনগত নীতি আৰু নৈতিক নীতি।''

উপৰোক্ত এই নীতিয়ে এখন বৈচিত্ৰ্যময় সমাজত ৰাজহুৱা সেৱা পালনত কেনেকৈ সুবিচাৰ আৰু সমতা নিশ্চিত কৰে, ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** You are posted as an Additional SP in a district and you have been tasked to sensitize the officials in the police stations about the Child Labour (Prohibition and Regulation) Act, 1986 and also to ensure its enforcement. Through your initiative and investigations, three numbers of brickkilns were closed recently because of violation of the Act.

You have a son who is only 8 months old. Your in-laws have sent a small girl about 10 years to help your wife in taking care of your son. The girl is actually a neighbour of your in-laws and has been helping your wife when she was in her home after childbirth. The girl is a school dropout and belongs to a very poor family having 5 children. It was her parents who insisted that she comes with you as they would be less burdened and that she would have better food and nutrition. Your wages for the girl would also help the poor family to maintain their other children. Your wife has developed a liking for the girl and has also become dependent on her.

*Questions* :

(a) What is the dilemma faced by you? What are the expectations and interest of different stakeholders that are contributing to your dilemma?

(b) What, in your opinion, is the most appropriate course for you so that nobody's interest is very adversely hurt?

(Answer in *150* words) 10

আপোনাক এখন জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হ'ল আৰু শিশু শ্ৰম (নিষিদ্ধকৰণ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬খন সম্পৰ্কে আৰক্ষী থানাবোৰৰ বিষয়াসকলক সচেতন কৰিবলৈ আপোনাক দায়িত্ব দিয়া হৈছে আৰু লগতে এইখনৰ বলৱৎকৰণ নিশ্চিত কৰিবলৈও কোৱা হৈছে। আপোনাৰ পদক্ষেপবোৰ আৰু অনুসন্ধানৰ জৰিয়তে আইনখন ভংগ কৰা কাৰণত তিনিটা ইটাৰ ভাটা অলপতে বন্ধ কৰি দিয়া হৈছে।

আপোনাৰ এটা ৮ মহীয়া পুত্ৰসন্তান আছে। আপোনাৰ শহুৰ-শাহুৱে এজনী প্ৰায় ১০ বছৰীয়া ছোৱালীক আপোনাৰ সন্তানটোৰ লালন-পালনৰ কামত পত্নীক সহায় কৰিবলৈ পঠিয়াই দিছে। ছোৱালীজনী আচলতে শহুৰ-শাহুৰ ওচৰ-চুবুৰীয়া আৰু যেতিয়া আপোনাৰ পত্নী সন্তান জন্মৰ পাছত নিজৰ ঘৰত আছিল, তেতিয়াৰে পৰা তাই আপোনাৰ পত্নীক সহায় কৰি আহিছে। ছোৱালীজনী আধাতে বিদ্যালয় এৰা এজনী ছাত্ৰী আৰু তাই পাঁচজনীয়া সন্তান থকা এটা দৰিদ্ৰ পৰিয়ালৰ ছোৱালী। তাইৰ পিতৃ-মাতৃয়ে জোৰ কৰিছিল যে তাই আপোনালোকৰ লগতে গুচি আহক যাতে তেওঁলোকৰ বোজাটো অলপ হ'লেও লাঘৱ হয় আৰু তাই ভাল খাদ্য আৰু পুষ্টি পায়। তাইৰ মজুৰিৰ পৰা দৰিদ্ৰ পৰিয়ালটিয়ে আন সন্তানকেইটাক ভৰণ-পোষণ দিয়াত সহায়ক হ'ব। আপোনাৰ পত্নীয়েও ছোৱালীজনীক ভাল পাবলৈ ধৰিছে আৰু তাইৰ ওপৰত তেওঁ নিৰ্ভৰশীল হৈ পৰিছে।

প্ৰশ্ন :

(ক) আপুনি সন্মুখীন হোৱা দোমোজাটো কি? আপোনাক এই দোমোজাটোত অৰিহণা যোগোৱা বিভিন্ন অংশীদাৰসকলৰ প্ৰত্যাশা আৰু স্বাৰ্থবোৰ কি কি?

(খ) আপোনাৰ মতে, আপোনাৰ কাৰণে আটাইতকৈ উপযুক্ত ব্যৱস্থাটো কি হ'ব, যিটোৰ পৰা কাৰো স্বাৰ্থত অতি বেয়াকৈ আঘাত নপৰে?

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

## Section—B

**14.** It is often held that teachers play a greater role than parents in shaping youths as good citizens.

(a) Explain as to how far this can be justified.

(b) Are there other individuals or agencies, apart from parents and teachers, who can contribute to the shaping of youths? Explain briefly.

(Answer in *250* words) 20

এইটো প্ৰায়ে ধৰি লোৱা হয় যে, শিক্ষকসকলে যুৱ-সমাজক উপযুক্ত নাগৰিক হিচাপে গঢ় দিয়াত পিতৃ-মাতৃতকৈও অধিক ভূমিকা পালন কৰে।

(ক) এইটো কিমান যুক্তিযুক্ত, ব্যাখ্যা কৰক।

(খ) পিতৃ-মাতৃ আৰু শিক্ষকৰ বাহিৰেও, আন কোনো ব্যক্তি বা সংস্থা আছেনেকি যিয়ে যুৱ-সমাজক গঢ় দিয়াত অৰিহণা যোগাব পাৰে? চমুকৈ ব্যাখ্যা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** "The most important human endeavour is striving for morality in our actions. Our inner balance and even our very existence depend on it. Only morality in our actions can give beauty and dignity to life." (*Albert Einstein*)

Discuss in detail citing examples. (Answer in *250* words) 20

"আমাৰ কাৰ্যবোৰত নৈতিকতাৰ বাবে লোৱা উদ্যোগেই হ'ল মানুহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰচেষ্টা। আমাৰ আভ্যন্তৰীণ ভাৰসাম্য আৰু আনকি আমাৰ অস্তিত্ব ইয়াৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ কাৰ্যবোৰত থকা নৈতিকতাই আমাৰ জীৱনলৈ সৌন্দৰ্য আৰু মৰ্যাদা কঢ়িয়াই আনিব পাৰে।" (*এলবাৰ্ট আইনষ্টাইন*)

উদাহৰণ সহকাৰে বিতংভাৱে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** Begging is very common at traffic intersections by some of the members of the transgender (TG) community, particularly in busy cities. You have been serving as District Commissioner in the district. The police and the civil society report you to curb the practice and avoid traffic hazards, as well as, ensuring the safety of the communities. On enquiry into the matter, it is revealed, by and large, that the TG community is unemployed and a neglected lot in the society. They have limited access to education. Social stigma about the TG is deeply rooted. On the other hand, it is also revealed that commuters are often harassed by aggressive and forceful begging.

Now, you are required to intervene in the matter to restore normalcy at the traffic intersection point and ensure road safety while also being mindful of the need to uphold the dignity, rights and social justice of a marginalized community. In this context, answer the following :

(a) What are the key dilemmas involved in balancing public order with the rights and dignity of the TG? How does prevailing social attitude shape these dilemmas?

(b) What policy interventions could you consider to address both the immediate concerns and the sustainable welfare of the transgender community?

(Answer in *250* words) 20

বিশেষকৈ ব্যস্ত মহানগৰবোৰত ৰূপান্তৰিত লিংগ (ট্ৰান্সজেণ্ডাৰ) সম্প্ৰদায়ৰ কিছুলোকে যান-বাহন আন্তঃসংযোগস্থলবোৰত ভিক্ষা খোজাটো এটা অতি সাধাৰণ কথা। আপুনি জিলাখনত জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। এই প্ৰথাটো নিয়ন্ত্ৰণ কৰিবলৈ আৰু যাতায়াতৰ বিপদ-সংকুলতাৰ পৰা পৰিত্ৰাণ আৰু লগতে সমাজৰ সুৰক্ষা বিচাৰি নাগৰিক সমাজ আৰু আৰক্ষীয়ে আপোনাক অৱগত কৰিছে। বিষয়টোৰ তদন্তত প্ৰকাশ পায় যে, মোটামুটিভাৱে ৰূপান্তৰিত লিংগ সম্প্ৰদায়টো সমাজৰ যথেষ্ট অৱহেলিত আৰু তেওঁলোক সংস্থাপনহীন। তেওঁলোকৰ বাবে শিক্ষাৰ সুবিধাও সীমিত। ৰূপান্তৰিত লিংগক লৈ সামাজিক কলংক গভীৰভাৱে শিপাই আছে। আনহাতে, আগ্ৰাসী আৰু বলপূৰ্বক ভিক্ষাৰ মাজেৰে যাতায়াত কৰা লোকসকলক প্ৰায়ে হাৰাশাস্তি কৰে বুলিও প্ৰকাশ পাইছে।

এতিয়া আপুনি বিষয়টোত হস্তক্ষেপ কৰি যান-বাহন আন্তঃসংযোগস্থলত স্বাভাৱিকতা ঘূৰাই আনি পথ সুৰক্ষা নিশ্চিত কৰিব লাগিব, কিন্তু একেসময়তে আপুনি প্ৰান্তীয় সম্প্ৰদায় এটাৰ মৰ্যাদা, অধিকাৰ আৰু সামাজিক ন্যায় ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতিও সচেতন হ'ব লাগিব। এই প্ৰসংগত, তলত দিয়াবোৰৰ উত্তৰ দিয়ক :

(ক) ৰূপান্তৰিত লিংগৰ অধিকাৰ আৰু মৰ্যাদাৰ সৈতে ৰাজহুৱা শৃংখলাৰ ভাৰসাম্য ৰক্ষাৰ লগত জড়িত মূল দ্বিধাবোৰ কি কি? সমাজৰ প্ৰচলিত মনোভাৱে এই দ্বিধাবোৰক কেনেদৰে গঢ় দিয়ে?

(খ) ৰূপান্তৰিত লিংগৰ তাৎক্ষণিক উদ্বেগ আৰু বহনক্ষম কল্যাণ, এই দুয়োটাকে সমাধান কৰিবলৈ আপুনি কি নীতিগত হস্তক্ষেপৰ কথা বিবেচনা কৰিব?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** "Indians always considered environment as mother and believed in its preservation."

(a) Is this statement justified in present-day scenario of damage to the environment?

(b) What would you suggest to achieve a balance in modern age need of the human being and protection of environment?

(Answer in *250* words) 20

''ভাৰতীয় সদায় পৰিবেশক মাতৃ হিচাপে গণ্য কৰিছিল আৰু ইয়াৰ সংৰক্ষণত বিশ্বাস কৰিছিল।''

(ক) সাম্প্ৰতিক সময়ত পৰিবেশৰ প্ৰতি কৰা অনিষ্টৰ পটভূমিত এই বক্তব্য যুক্তিযুক্তনে?

(খ) মানুহৰ আধুনিক যুগৰ প্ৰয়োজনীয়তা আৰু পৰিবেশ সুৰক্ষাৰ মাজত এটা সমতাত উপনীত হ'বলৈ আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব খোজে?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** The considerable volume of waste is posing threats to small towns as well as cities. The landfill sites are facing the problem of overcapacity. Towns have endeavoured to have waste-to-energy plants to mitigate the problem to some extent. However, due to incapacitation or inefficiency, the project may not necessarily yield the desired result. Administrations are often criticized for emitting pollutant gases, etc. Upon reviewing the situation, it is observed that how people dispose of waste is one of the primary reasons behind the problem. The government has already notified rules regarding the disposals, collection and treatment of waste and has initiated an awareness campaign in the past. Still, there is no definite answer to resolve the issue.

You are posted as District Commissioner. Given such situations, explain the following questions :

(a) What is the reason behind the apathy of people towards waste disposal that affects the larger interest of society?

(b) Who are the stakeholders, and what is the significance of their involvement in addressing the issue?

(c) What arguments will you put forth to convince people to act on the issue?

(Answer in *250* words) 20

বিশাল পৰিমাণৰ আৱৰ্জনাই সৰু চহৰ আৰু মহানগৰবোৰলৈ এক ভাবুকি কঢ়িয়াই আনিছে। আৱৰ্জনা নিষ্পত্তিৰ ঠাইবোৰ অধিক ধাৰণক্ষমতাজনিত সমস্যাৰ সন্মুখীন হৈছে। চহৰবোৰত আৱৰ্জনাৰ পৰা শক্তিলৈ ৰূপান্তৰৰ অৰ্থে প্লাণ্ট স্থাপনৰ উদ্যোগ লোৱা হৈছে, যাতে সমস্যাটো কিছু পৰিমাণে লাঘৱ কৰিব পৰা যায়। কিন্তু প্ৰায়েই অক্ষমতা আৰু অদক্ষতাৰ বাবে প্ৰকল্পটোৱে আকাংক্ষিত ফলাফল দিব নোৱাৰিবও পাৰে। প্ৰদূষিত গেছ আদি নিৰ্গমনৰ বাবে প্ৰশাসনক সঘনাই সমালোচনা কৰা হয়। বিষয়টো পৰ্যালোচনা ক্ৰমে দেখা যায় যে, মানুহৰ দ্বাৰা আৱৰ্জনা নিষ্কাশনৰ ধৰণটোৱেই সমস্যাটোৰ আঁৰৰ অন্যতম মূল কাৰণ। আৱৰ্জনা নিষ্কাশন, সংগ্ৰহ আৰু পৰিশোধন সম্পৰ্কীয় নিয়মাৱলী চৰকাৰে ইতিমধ্যেই অৱগত কৰিছে আৰু বিগত কালছোৱাত অসংখ্য সজাগতামূলক অভিযান আৰম্ভ কৰিছে। তথাপিও এই সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট সদুত্তৰ নাই।

আপোনাক জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নিম্নোক্ত প্ৰশ্নসমূহ ব্যাখ্যা কৰক :

(ক) আৱৰ্জনা নিষ্কাশনৰ দৰে বিষয়ৰ প্ৰতি মানুহৰ উদাসীনতাৰ আঁৰৰ কাৰণ আপুনি কি বুলি ভাবে, যিয়ে সমাজৰ বৃহত্তৰ স্বাৰ্থক প্ৰভাৱিত কৰে?

(খ) বিষয়টোৰ সমাধানৰ ক্ষেত্ৰত জড়িত অংশীদাৰসকল কোন কোন আৰু তেওঁলোক এইক্ষেত্ৰত জড়িত হোৱাৰ তাৎপৰ্য কি?

(গ) আপুনি কি যুক্তিৰ দ্বাৰা মানুহক বিষয়টোৰ সন্দৰ্ভত কাম কৰিবলৈ পতিয়ন নিয়াব পাৰিব?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** You are posted as an Additional District Commissioner of a district. The district is identified as Aspirational District by the NITI Aayog. You have been entrusted to function as Nodal Officer for all the initiatives of the NITI Aayog being taken up in the district for holistic development. Special thrust is being given to increase literacy rate in the district. The NITI Aayog has engaged one philanthropic organization to mediate and facilitate progress in the educational sector of the district.

Being the Nodal Officer, how will you proceed for holistic development in educational sector with the help of existing government setup and the appointed organization? (Answer in *250* words) 20

আপোনাক এখন জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। নীতি আয়োগে জিলাখনক উচ্চাভিলাষী জিলা হিচাপে চিহ্নিত কৰিছে। জিলাখনৰ সামগ্ৰিক উন্নয়নৰ বাবে নীতি আয়োগে হাতত লোৱা পদক্ষেপসমূহ ৰূপায়ণৰ অৰ্থে আপোনাক নডেল বিষয়া হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। জিলাখনত সাক্ষৰতাৰ হাৰ বৃদ্ধিৰ বাবে বিশেষ গুৰুত্ব দিয়া হৈছে। জিলাখনৰ শিক্ষা খণ্ডত মধ্যস্থতা আৰু প্ৰগতি ত্বৰান্বিত কৰাৰ বাবে এটি দাতব্য সংস্থাকো নীতি আয়োগে নিয়োজিত কৰিছে।

এগৰাকী নডেল বিষয়া হিচাপে, নিয়োজিত সংস্থাটো আৰু চৰকাৰৰ প্ৰচলিত ব্যৱস্থাৱলীৰ সহায়ত আপুনি কিধৰণে জিলাখনৰ শিক্ষা খণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে আগবাঢ়িব? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★